# নগাঁও জিলা বিশেষ কাৰাগাৰত পুথিভঁৰাল উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১০ আগষ্ট ঃ** পুথিভঁড়াল বিজ্ঞান পিতৃস্বৰূপ ড° শিৱালী ৰামমৃত ৰঙ্গনাথনৰ ১৩২ সংখ্যক জন্মদিন পুথিভঁড়াল দিৱসৰ লগত সংগতি ৰাখি সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ উদ্যোগত নগাঁও জিলা বিশেষ কাৰাগাৰত 'জ্ঞানজ্যোতি' নামেৰে এটি পুথিভঁড়াল উদ্বোধন কৰা হয়। নগাঁও জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই উদ্বোধন কৰা পুথিভঁড়াল উদ্বোধনী সভাখনত জিলা অতিৰিক্ত আয়ুক্ত সুদ্বীপ নাথে বিশিষ্ট অতিথি হিচাবে অংশগ্ৰহণ কৰে। সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ প্ৰধান সম্পাদক বল্লদেৱ শমাই আঁত ধৰা উদ্বোধনী সভাখনত সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকাই বিশিষ্ট অতিথি হিচাবে অংশগ্ৰহণ কৰি পুথিভঁড়াল আন্দোলন, পুথিভঁড়াল আইন তথা পুথিভঁড়াল বিজ্ঞানৰ পিতৃস্বৰূপ ড° শিৱালী ৰামমৃত ৰঙ্গনাথনৰ জীৱন আদৰ্শৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাত বিশিষ্ট সাহিত্যিক ইচমাইল হুচেইন, কাৰাগাৰৰ অধীক্ষক ৰাজু চৌধুৰীয়ে সন্মানিত অতিথি হিচাবে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ উপ সভাপতি শশীন্দ্ৰ দেৱ মহন্ত, সাংগঠনিক সম্পাদক চাহাবুদ্দিন আহমেদ, শিল্পী ধেনুৰাম নাথ, নগাঁও জিলা পুথিভঁড়াল সন্থাৰ সম্পাদক ভূপেন চন্দ্ৰ নাথ, সন্থাৰ সহঃ প্ৰকল্প বিষয়া বাবলী ৰাণী দেৱ, সমন্বয়ক ডেইজী সেনাপতিয়ে নিমন্ত্ৰীত অতিথি হিচাবে অংশগ্ৰহণ কৰে। শিল্পী ভাস্কৰজ্যোতি নাথৰ মঙ্গলাচৰণ আৰু ভক্তিমূলক গীতেৰে আৰম্ভ কৰা সভাখনৰ অন্তত শলাগৰ শৰাই আগবঢ়াই সন্থাৰ সহকাৰী সম্পাদক খগেন চন্দ্ৰ নাথে।

